**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::**

**Headlines**

১। ভাৰত আৰু ভূটানৰ ৰাষ্ট্ৰীয় স্বাৰ্থজড়িত বিষয়ৰ ক্ষেত্ৰত পৰস্পৰৰ মাজত ঘনিষ্ঠ সমন্বয় আৰু সহযোগিতা অব্যাহত ৰাখিবলৈ সন্মতি প্ৰকাশ।

২। লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত।

৩। কাইলৈৰ পৰা ৰাজ্যজুৰি শ্ৰীশ্ৰীকৃষ্ণৰ দৌল উৎসৱ উদযাপনৰ আয়োজন।

৪। বিশ্বৰ আন বিভিন্ন স্থানৰ লগতে অসমতো আজি বিশ্ব ধৰিত্ৰী ঘণ্টাৰ কাৰ্যসূচী।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ আৰু দেলহি কেপিটেলছৰ মাজত আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু কলকাতা নাইট ৰাইদাৰ্ছৰ মাজত দুখন খেল। কালিৰ প্ৰথমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে চেন্নাই ছুপাৰ কিংছৰ জয়লাভ।

0000000

ভূটানৰ ৰজা জিগমে খেছ্‌ৰ নামগিয়াল ৱাংছুকে কালি থিম্ফুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান অৰ্ডাৰ অফ দ্যা ড্ৰুক গ্যালপোৰে সন্মানিত কৰে। এই সন্মান গ্ৰহণ কৰি শ্ৰীমোদীয়ে কয় যে, এয়া তেওঁৰ জীৱনৰ বাবে এটা বৃহৎ দিন। তেওঁ কয় যে, প্ৰতিটো বঁটাই বিশেষ কিন্তু যেতিয়া অন্য এখন দেশৰ পৰা বঁটা লাভ কৰা হয় তেতিয়া দুয়োখন দেশ যে সঠিক দিশত আগবাঢ়িছে সেয়া স্পষ্ট হৈ পৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, এই সন্মান তেওঁৰ ব্যক্তিগত সাফল্য নহয় বৰং দেশ আৰু ১৪০ কোটি ভাৰতীয়ৰ সন্মান।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এই সন্মান লাভ কৰা প্ৰথমগৰাকী বিদেশী নেতা। বঁটাৰ সৈতে প্ৰদান কৰা প্ৰশস্তিপত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ব্যক্তিগত সাফল্য আৰু নেতৃত্ব তথা ভাৰত আৰু ভূটানৰ মাজৰ সম্পৰ্কৰ এনাজৰি সুদৃঢ় কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে এই সন্মান প্ৰদান কৰা বুলি উল্লেখ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত গোলকীয় শক্তি হিচাপে ভাৰতৰ উত্থানৰ সন্মানাৰ্থে আৰু ভাৰতৰ সৈতে ভূটানৰ বিশেষ এনাজৰিৰ উদযাপনকল্পে এই সন্মান আগবঢ়োৱা হৈছে বুলি উল্লেখ কৰা হৈছে।

0000000

উচ্চতম ন্যায়ালয়ে, নাগৰিকত্ব সংশোধনী আইনৰ নিয়মাৱলী বাতিল কৰাৰ বাবে সদৌ অসম ছাত্ৰ সন্থা আৰু উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সংগঠনে দাখিল কৰা আবেদন সন্দৰ্ভত অহা ৯ এপ্ৰিলত শুনানি গ্ৰহণ কৰিব।

আইনখনৰ স্থগিতকৰণৰ বাবে পূৰ্বে ধাৰ্য কৰা শুনানিৰ দিনটোৰ লগতে এই আৱেদনৰো শুনানিৰ বাবে সৰ্বোচ্চ ন্যায়ালয়খনে কালি সিদ্ধান্ত গ্ৰহণ কৰে। আইনখনৰ নিয়মাৱলী বাতিল কৰাৰ বাবে ছাত্ৰ সংগঠন দুটাই দাখিল কৰা এখন লেখ আৱেদনৰ কালি শুনানি গ্ৰহণ কৰি পৰৱৰ্তী শুনানিৰ বাবেও পূৰ্ব নিৰ্ধাৰিত দিনটোকেই ধাৰ্য কৰা হয়।

০০০০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ৭ দিনৰ বাবে বিধি  বলবৎকাৰী সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। বিধি বলবৎকাৰী সঞ্চালকালয়ে কালি কেজৰিৱালক ৰাউজ এভিনিউ আদালতত হাজিৰ কৰোৱাই সুৰা নীতিৰ গোচৰৰ সংক্ৰান্তত ১০ দিনৰ বাবে জিম্মাত বিচাৰিছিল। আদালতে কেজৰিৱালক ১০ দিনৰ সলনি অহা ২৮ মাৰ্চলৈ জিম্মাত ৰখাৰ বাবে সঞ্চালকালয়ক অনুমতি প্ৰদান কৰে।

উল্লেখযোগ্য যে, কেজৰিৱালে ৯ বাৰকৈ চমন লাভ কৰা সত্বেও বিধি বলবৎকাৰী সঞ্চালকালয়ৰ সন্মুখত হাজিৰ নোহোৱাৰ পৰিপ্ৰেক্ষিতত এই ব্যৱস্থা গ্ৰহণ কৰা হয়। ইয়াৰ পূৰ্বে অৰবিন্দ কেজৰিৱালে আবকাৰী নীতি সম্পৰ্কীয় ক'লাধন বৈধকৰণৰ গোচৰত বিধি বলবৎকাৰী সঞ্চালকালয়ৰ দ্বাৰা গ্ৰেপ্তাৰৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত দাখিল কৰা আবেদন কালি প্ৰত্যাহাৰ কৰে।

আদালতত বিধি বলৱৎকাৰী সঞ্চালকালয়ে কেজৰিৱালক সুৰা নীতি কেলেংকাৰীৰ মূল ষড়যন্ত্ৰকাৰী বুলি উল্লেখ কৰি ১০ দিনৰ জিম্মাত বিচাৰে। তদন্তকাৰী সংস্থাটোৱে কয় যে, কেজৰিৱাল বৰ্তমান প্ৰত্যাহাৰ কৰা এই সুৰা নীতি প্ৰস্তুত কৰাত পোনপটীয়াকৈ জড়িত আছিল।

বিধি বলৱৎকাৰী সঞ্চালকালয়ে ন্যায়ালয়লৈ নিয়াৰ সময়ত কালি সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত আম আদমী পাৰ্টীৰ আহ্বায়কগৰাকীয়ে কয় যে, তেওঁ কাৰাগাৰৰ পৰাই দেশৰ হকে কাম কৰি যাব। ইপিনে, বিধি বলৱৎকাৰী সঞ্চালকালয়ে তেওঁক গ্ৰেপ্তাৰ কৰাৰ সময়ত আম আদমী পাৰ্টীয়ে কৈছিল যে, অৰৱিন্দ কেজৰিৱাল দিল্লীৰ মুখ্যমন্ত্ৰী হৈ থাকিব। দলে লগতে বিধি বলৱৎকাৰী সঞ্চালকালয় কেন্দ্ৰত শাসনাধিস্থিত বিজেপিৰ ৰাজনৈতিক আহিলা ৰূপে পৰিগণিত হোৱা বুলি অভিযোগ তোলে।

আনহাতে, দিল্লীৰ মুখ্যমন্ত্ৰী অৰৱিন্দ কেজৰিৱালক বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰাৰ পাছত বিজেপিয়ে কালি কয় যে, দিল্লী সুৰা কেলেংকাৰীৰ ষড়যন্ত্ৰকাৰী অৱশেষত আইনৰ জিম্মালৈ গ'ল। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে দুৰ্নীতিৰ বাবে কেজৰিৱালে প্ৰশাসন তন্ত্ৰৰ অপব্যৱহাৰ কৰা বুলি অভিযোগ তোলে।

উল্লেখযোগ্য যে, অৰৱিন্দ কেজৰিৱালক গ্ৰেপ্তাৰৰ বিৰুদ্ধে কালি দিল্লী, কেৰালা, তামিলনাডু, ৰাজস্থান, জম্মু আৰু কাশ্মীৰ, কলকাতা আদিকে ধৰি দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো ঠায়ে ঠায়ে আম আদমী পাৰ্টী আৰু আন আন ৰাজনৈতিক দলৰ নেতা-কৰ্মীয়ে  প্ৰতিবাদ সাব্যস্ত কৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষী আৰু নিৰাপত্তা বাহিনীয়ে কোনো কোনো ঠাইত বেৰীকেডেৰে প্ৰতিৰোধৰ ব্যৱস্থা কৰাৰ লগতে পানী হিলৈ ব্যৱহাৰ কৰে।

০০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় জাতিয় কংগ্ৰেছ দলৰ শোণিতপুৰ লোকসভা সমষ্টিৰ মনোনীত প্ৰাৰ্থী প্ৰেমলাল গঞ্জুৱে কালি মনোনয় পত্ৰ দাখিল কৰে। ইপিনে মাজুলীৰ জিলা আয়ুক্ত কাৰ্যালয়ত কালি জিলাখনৰ মহিলা নিৰ্বাচনী বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ সভাপতিত্বত অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ সৰ্বমুঠ ৪৮ গৰাকী মহিলা প্ৰিজাইডিং আৰু পোলিং

বিষয়া, এজন জিলা পৰ্যায়ৰ মাষ্টাৰ ট্ৰেইনাৰ আৰু তিনিজন বিধানসভা পৰ্যায়ৰ মাষ্টাৰ ট্ৰেইনাৰে অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। কালি নগাঁও লোকসভা সমষ্টিৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ বিধায়ক ৰমাকান্ত দেউৰীয়ে মৰিগাঁৱৰ শলমাৰীত এখন বিশাল জনসভাত প্ৰচাৰ চলায়। আনহাতে জাগীৰোডত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই সুৰেশ বৰাৰ নিৰ্বাচনী প্ৰচাৰত অংশ লয়। ইপিনে কোকৰাঝাৰ লোকসভা সমষ্টিৰ বিজপি মিত্ৰজোঁটৰ মনোনীত ইউ পি পি এলৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। কালি দলটোৱে চিৰাং জিলাৰ উলুবাৰীত যোগদান কাৰ্যসূচী আয়োজন কৰে। এই যোগদান কাৰ্যসূচীত ৰাজ্যসভাৰ সাংসদ ৰনগৌৰা নাৰ্জাৰী, চিদলীৰ বৰ্তমানৰ বিধয়াক তথা লোকসভাৰ মনোনীত প্ৰাৰ্থী জয়ন্ত বসুমতাৰী উপস্থিত থাকে।

0000000

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল’গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক বিষয়ৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল’ব পাৰিব। শ্ল’গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত লোকসভা নিৰ্বাচন বিষয়ক অনুষ্ঠান দৃষ্টিপাত **লোক নিৰ্ণয়-২০২৪** প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সাংবাদিক পাৰ্থ গোস্বামী আৰু নৰেশ কলিতাই অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

0000000

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাইলৈৰ পৰা শ্ৰীকৃষ্ণৰ দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱা উদযাপনৰ বাবে প্ৰস্তুতি অব্যাহত আছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে এই উৎসৱৰ প্ৰস্তুতিৰ বাবে উলহ-মালহৰ পৰিৱেশ বিৰাজ কৰিছে। সত্ৰনগৰী বৰপেটাত কাইলৈৰ পৰা তিনিদিনীয়াকৈ দৌল মহোৎসৱৰ আয়োজন কৰা হৈছে। সত্ৰীয়া পৰম্পৰা অনুসৰি কাইলৈ বহ্নুৎসৱ, ২৫ মাৰ্চত ভৰদৌল আৰু ২৬ মাৰ্চত সুৱেৰী বা ফাকুৱা উদযাপন কৰা হ’ব। এই উপলক্ষে সত্ৰৰ দালান, কীৰ্তন ঘৰ, জগমোহন গৃহ, দৌল মন্দিৰৰ লগতে সত্ৰৰ দেৱালসমূহ চাফচিকুণ কৰি তোলাৰ কামত যুৱসকল ব্যস্ত হৈ পৰিছে। একেদৰে সত্ৰৰ বিভিন্ন বংশৰা আৰু সম্প্ৰদায়সমূহেও পৰম্পৰা অনুসৰি মহোৎসৱৰ যাৱতীয় কাম-কাজ আৰম্ভ কৰিছে। পৰম্পৰা অনুসৰি সত্ৰৰ বিভিন্ন বংশৰাসমূহে বংশানুক্ৰমিকভাৱে সত্ৰখনৰ একোটা কাম-কাজৰ দায়িত্ব লাভ কৰে।

একেদৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান ইতিহাস প্ৰসিদ্ধ বৰদোৱা সত্ৰতো কাইলৈৰ পৰা তিনিদিনীয়া পৰম্পৰাগত ধৰ্মীয় কাৰ্যসূচীৰে দৌলোৎসৱ উদযাপন কৰিবলৈ লোৱা হৈছে। কাইলৈ গোসাঁইক বাহিৰলৈ উলিয়াই অনাৰ পাছত নোৱাই-ধুৱাই দৌলোৎসৱৰ পৰম্পৰাৰে আৰম্ভ কৰি পৰৱৰ্তী তিনিটা দিনত

ফাকুগুৰি দিয়া, প্ৰদক্ষিণ কৰোৱা আদি কাৰ্যসূচীৰে এই উৎসৱ সমাপন কৰা হ'ব। অৱশ্যে ধৰ্মীয় কাৰ্যসূচী সম্পন্ন হোৱাৰ পাছতো থানখনত দুদিনলৈ দৌলোৎসৱৰ মেলা অব্যাহত থাকিব। এই উৎসৱ উপলক্ষে থানখনলৈ আগমন ঘটিবলগীয়া লাখ লাখ ভক্তক আদৰাৰ বাবে থান পৰিচালনা সমিতিয়ে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। নগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰীবাসুদেৱ থান নৰোৱা সত্ৰত দৌল উৎসৱ পালনৰ বাবে উদযাপন সমিতিয়ে পূৰ্ণগতিত প্ৰস্তুতি চলাইছে। সত্ৰখনত কাইলৈৰ পৰা তিনিদিনীয়া দৌলযাত্ৰা উদযাপন কৰা হ'ব। এই উৎসৱ উপলক্ষে সত্ৰৰ চৌদিশ নাম-প্ৰসংগৰে মুখৰ হৈ পৰাৰ লগতে অন্যান্য অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

উত্তৰ গুৱাহাটীৰ শ্ৰীশ্ৰীদৌলগোবিন্দ মন্দিৰতো পাঁচদিনীয়া বিস্তৃত কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপন কৰা হ'ব। এই উৎসৱ মেষদাহ পৰ্বৰে আৰম্ভ হৈ ধৰ্মীয় শোভাযাত্ৰাৰে সামৰণি পৰিব। উৎসৱৰ অংশ হিচাপে সাংস্কৃতিক অনুষ্ঠান, ভাওনা প্ৰদৰ্শন, যাত্ৰাভিনয় আদিও প্ৰদৰ্শন কৰা হ'ব। ইপিনে, কামৰূপ জিলাৰ বিভিন্ন সত্ৰ, মহাপুৰুষজনাৰ জন্মস্থান বটদ্ৰৱা আৰু মাজুলীৰ সত্ৰসমূহতো দৌল উৎসৱ উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা বুলি প্ৰকাশ পাইছে।

০০০০০০০

সমাগত দৌল উৎসৱ উপলক্ষে ৰাজ্যৰ কেইবাখনো জিলাত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। দৌলযাত্ৰা উপলক্ষে অহা ২৬ মাৰ্চত চিৰাং জিলাত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। জিলাখনৰ দণ্ডাধীশ তথা জিলা আয়ুক্ত পি বিজয় ভাস্কৰ ৰেড্ডীয়ে এক নিৰ্দেশনাযোগে এই কথা প্ৰকাশ কৰিছে। নিৰ্দেশনাত উল্লেখ থকা অনুসৰি সেই দিনটোত ৰাজ্য চৰকাৰৰ অধীনৰ কাৰ্যালয়, শিক্ষানুষ্ঠান, বিত্তীয় প্ৰতিষ্ঠান সকলো বন্ধ থাকিব। অৱশ্যে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ পূৰ্ব নিৰ্ধাৰিত পৰীক্ষাসমূহ অনুষ্ঠিত হব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

ইপিনে, মৰিগাওঁ জিলাতো দৌল যাত্ৰা উপলক্ষে ২৬ মাৰ্চৰ দিনটো স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। জিলাখনৰ দণ্ডাধীশ তথা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি এই কথা প্ৰকাশ কৰে।

আনহাতে, নগাওঁ জিলাতো শ্ৰীকৃষ্ণৰ দৌল উপলক্ষে ২৬ মাৰ্চত স্থানীয় বন্ধৰ দিনৰূপে পালন কৰা হব বুলি জিলাখনৰ আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে এটা নিৰ্দেশনাযোগে ঘোষণা কৰিছে।

একেদৰে কামৰূপ আৰু গোৱালপাৰা জিলাতো ২৬ মাৰ্চত দৌল যাত্ৰা উপলক্ষে জিলা আয়ুক্তই স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে। উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া জিলাসমূহত এইবাৰ জিলা আয়ুক্তই দৌল উৎসৱ উপলক্ষে স্থানীয় বন্ধৰ ঘোষণা কৰিব নোৱাৰিব বুলি সাধাৰণ প্ৰশাসন বিভাগে এখন জাননী জাৰি কৰিছে।

০০০০০০০০

বিশ্বৰ আন বিভিন্ন স্থানৰ লগতে অসমতো আজি বিশ্ব ধৰিত্ৰী ঘণ্টা পালন কৰা হ'ব। পৰিৱেশ সুৰক্ষাৰ স্বাৰ্থত WWFৰ আহ্বান মৰ্মে এই ধৰিত্ৰী ঘণ্টা পালন কৰা হ'ব। সেই অনুসৰি আজি নিশা চাৰে ৮ বজাৰ পৰা চাৰে ৯ বজালৈ জনসাধাৰণক পৰিমিত পৰিমাণৰ বিদ্যুৎ ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। ৰাজ্যৰ প্ৰতিখন জিলাৰ সকলো চৰকাৰী কাৰ্যালয় তথা অনুষ্ঠান-প্ৰতিষ্ঠানত এই সময়ছোৱাত অপ্ৰয়োজনীয় লাইট এঘণ্টাৰ বাবে বন্ধ থাকিব। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০০০

চেন্নাই ছুপাৰ কিংছে যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ সপ্তদশ সংস্কৰণৰ প্ৰথমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে। চেন্নাই ছুপাৰ কিংছে ১৭৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৮টা বল খেলিবলৈ বাকী থকা অৱস্থাত ৪টা উইকেট হেৰুৱাই ১৭৬ ৰান কৰে। চেন্নাইৰ হৈ ৰচিন ৰবীন্দ্ৰই ১৫টা বলত ৩৭ ৰান কৰে। ইয়াৰ আগেয়ে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭৩ ৰান সংগ্ৰহ কৰে। বেংগালুৰুৰ হৈ অনুজ ৰাৱটে ২৫টা বলত সৰ্বাধিক ৪৮ ৰানৰ বৰঙণি আগবঢ়ায়। চেন্নাই ছুপাৰ কিংছৰ মুস্তাফিজুৰ ৰহমানে ৪টা উইকেট দখল কৰে। মুস্তাফিজুৰক প্লেয়াৰ আব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে এম এ চিদাম্বৰম ষ্টেডিয়ামত আয়োজিত বৰ্ণিল উদ্বোধনী অনুষ্ঠানেৰে আই পি এল ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হয়।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। মোহালিত  বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত পাঞ্জাব কিংছ দেলহি কেপিটেলছৰ মুখামুখি হোৱাৰ বিপৰীতে কলকাতাত সন্ধিয়া চাৰে ৭ হ'বলগীয়া দ্বিতীয়খন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইদাৰ্ছাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

**NEWSPAPER REVIEW (23-03-2024) RNU**

সুৰা নীতি কেলেংকাৰীৰ গোচৰত গ্ৰেপ্তাৰ হোৱা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক আদালতে সাত দিনৰ বাবে বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰাৰ বাতৰিক **দৈনিক অসম, দৈনিক অগ্ৰদূত, দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

লোকসভা নিৰ্বাচনৰ প্ৰাকক্ষণত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক গ্ৰেপ্তাৰ কৰা কাৰ্যৰ বিৰুদ্ধে বিৰোধী মিত্ৰজোঁট ইণ্ডি এলায়েঞ্চে নিৰ্বাচন আয়োগক অভিযোগ দাখিলৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে পুষ্পক নামৰ পুনৰ ব্যৱহাৰযোগ্য উৎক্ষেপণ যানখনৰ সফল পৰীক্ষণ সম্পন্ন কৰাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এক পথ দুৰ্ঘটনাত পতিত হৈ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক স্বৰাজ শংকৰ গগৈয়ে অকালতে প্ৰাণ হেৰুৱাৰ বাতৰিক **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আসন্ন লোকসভা নিৰ্বাচনৰ বাবে গঠিত ফ্লায়িং স্কোৱাডৰ অভিযানত মৰিয়নীত এখন বাহনৰ পৰা ২৭ লাখৰো অধিক নগদ ধনসহ তিনিজন লোক আটক হোৱাৰ বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসামৰিক বিমান পৰিবহন সঞ্চালকালয়ে এয়াৰ ইণ্ডিয়া লিমিটেডক পাইলট বিশ্ৰাম কালৰ নিয়ম উলংঘা কৰাৰ বাবে ৮০ লাখ টকাৰ জৰিমনা আৰোপ কৰাৰ বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কৰদাতাসকলৰ সুবিধাৰ্থে ৰিজাৰ্ভ বেংকৰ চৰকাৰী ব্যৱসায়ৰ সৈতে লেনদেন কৰা কাৰ্যালয় আৰু এজেঞ্চী বেঙ্কৰ সকলো নিৰ্ধাৰিত শাখাই ৩০ আৰু ৩১ মাৰ্চত স্বাভাৱিক কামৰ সময় অনুসৰি তেওঁলোকৰ কাউন্টাৰ খোলা ৰখাৰ সিদ্ধান্তৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কাছাৰৰ ধলাইৰ অগ্নিনিৰ্বাপক বাহিনীৰ ভাৰপ্ৰাপ্ত বিষয়া বসন্ত সিনহাক উৎকোচ লোৱাৰ অভিযোগত তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে–

**৯ এপ্ৰিলত উচ্চতম ন্যায়ালয়ত কা বিধি বাতিলৰ লেখ আৱেদনৰ পৰৱৰ্তী শুনানি, ছেবা আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদক একত্ৰিত কৰাৰ অধিসূচনা জাৰি** আদি।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

ooooooooo

সমাপ্ত